# পৰিৱেশিক আৰু সমাজ ব্যৱস্থাপনা ভিত্তিৰেখা (ESMF)

## সাৰাংশ

### পাতনি:

অসমৰ ভৌগোলিক এলেকাৰ প্ৰায় আধা অংশই প্ৰৱল বান অধ্যুষিত হোৱাৰ ফলত অসম ভয়ংকৰ গৰা-খহনীয়া আৰু বানপানীৰ কবলত পৰা এখন ৰাজ্য হিচাবে জনাজাত । ইং ১৯৫৩ চনৰ পৰা ইং ২০২০ চনলৈ প্ৰায় ১৭৮ নিযুত লোক বানপানীৰ দ্বাৰা প্ৰভাৱিত হৈছে। বানপানীৰ কাৰণেই অসমৰ বৃহৎ ভূখণ্ডই মধ্যমীয়া পৰা অত্যধিক ভাবে মাটি হেৰুৱাবলগীয়া হৈ আহিছে। এই সন্দৰ্ভত অসম চৰকাৰে( GoA)জল সম্পদ বিভাগ (WRD), অসমৰ বানপানী আৰু নদী গৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণ (FREMAA) আৰু অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমণ প্ৰাধিকাৰীৰ (ASDMA) জৰিয়তে বিভিন্ন সমূহীয়া কাৰ্যক্ৰম হাতত লৈ জল দুৰ্যোগৰ আশংকা নিবাৰণ ব্যৱস্থাপনা – (Water– Disaster Risk Management (DRM) Nexus)ৰ প্ৰস্তুতি চলোৱা হৈছে । এই প্ৰস্তাৱিত অসম ৰ নদী অৱবাহিকা সু-সংহতকৰণৰ ব্যৱস্থাপনা কাৰ্যক্ৰম (AIRBMP) সমৰ্থন কৰিব বাবে অসম চৰকাৰে(GoA) বিশ্ব বেংকত (WB)ঋণৰ আবেদন জনায়। তিনি পৰ্যায়ত ল'বলগীয়া এই ব্যৱস্থাপনা সমৰ্থন কৰি বিশ্ববেংকে মুঠ ৫০৮ নিযুত আমেৰিকান ডলাৰ পুঁজিৰ ঋণ আগবঢ়ায়। বৰ্তমান প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাৰ্য যোজনাত বিশ্ব বেংকে ১০৮ নিযুত আমেৰিকান ডলাৰ প্ৰকল্প বিনিয়োগ পুঁজি ( Investment Project Finance) হিচাবে ধাৰ্য্য কৰিছে । পৰবৰ্তী ২য় আৰু ৩য় পৰ্যায়ৰ কাৰ্য যোজনাৰ বাবে বিশ্ব বেংকে প্ৰতিটো স্তৰতে ক্ৰমে ২০০ নিযুত আমেৰিকান ডলাৰৰ পুঁজিৰ সহায় আগবঢ়াব।

**প্ৰকল্পৰ বিৱৰণঃ**

প্ৰথম স্তৰৰ কাৰ্যাৱলীত অসম ৰ নদী অৱবাহিকা সু-সংহতকৰণৰ ব্যৱস্থাপনা কাৰ্যক্ৰম( AIRBMP)ত অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ বিবেচিত ছয়টা অৱবাহিকাৰ ভিতৰত বুঢ়ীদিহিং , বেঁকী আৰু জিয়াঢল নদীৰ অৱবাহিকাক প্ৰধান্য দি কাৰ্যস্থল হিচাবে বিবেচিত কৰা হৈছে । অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰম(AIRBMP)ৰ চাৰিটা উপাদান হ'ল–

(১) প্ৰাতিষ্ঠানিক শিক্ষা সুদৃঢ়কৰণ আৰু বিশেষ অধ্যয়ন
(২) জল সম্পদ ব্যৱস্থাপনা
(৩) দুৰ্যোগৰ আশংকা নিবাৰণ ব্যৱস্থাপনা আৰু
(৪) আকস্মিক জৰুৰীকালীন প্ৰতিক্ৰিয়াৰ উপাদান।

বেঁকী আৰু বুঢ়ীদিহিং নদীত ল'বলগীয়া কাম চিনাক্ত কৰি ২ নং উপাদানৰ প্ৰথম পৰ্যায়ত (Phase 1) অন্তৰ্ভুক্ত কৰা হৈছে আৰু ইয়াৰ দ্বাৰা হোৱা পৰিৱেশ আৰু সামাজিক প্ৰভাৱৰ মূল্যাংকণ( ESIA)কৰা আৰু পুনঃসংস্থাপনৰ কাৰ্য পৰিকল্পনা(RAP)প্ৰস্তুত কৰাৰ লগতে এটা নতুন কাৰ্য্যালয় ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। এই সমুদায় কাৰ্য্য জল সম্পদ বিভাগৰ দ্বাৰা সম্পন্ন কৰা হ'ব । বেঁকী , বুঢ়ীদিহিং আৰু জিয়াঢল অৱবাহিকাৰ অসমত থকা অংশৰ বানপানীৰ বিপদ মুক্তকৰণ ব্যৱস্থাপনাৰ ( IFRM) পৰিকল্পনাও মূল ব্যৱস্থাপনাৰ ২ নং উপাদানৰ অধীনত যুগুত কৰা হ'ব। নিম্নৰ পৰা মধ্যমীয়া বিপদৰ আশংকা মুক্তকৰণ বিনিয়োগ ব্যৱস্থাত পাঁচৰ পৰা দহটা পৰ্যন্ত বহুমুখী বান-আশ্ৰয় শিবিৰ বনোৱা, ত্ৰিশখন বিদ্যালয় বহুমুখী বান-আশ্ৰয় শিবিৰলৈ উন্নীতকৰণ, জৰুৰীকালীন কাৰ্যকৰী কেন্দ্ৰত জৰুৰীকালীন ব্যৱস্থাপনা প্ৰণালীৰ প্ৰয়োজনীয় সা-সুবিধাসমূহ উপলব্ধ কৰা , প্ৰতিটো চক্ৰৰ তাৎক্ষণিক সঁহাৰি দল (CQRT)ৰ তাৎক্ষণিক সঁহাৰিৰ বাবে লগা সামগ্ৰীৰ ব্যৱস্থা কৰা , গ্ৰাম্য দুৰ্যোগ প্ৰশমন ব্যৱস্থাৰ পৰিকল্পনা উন্নত কৰা(VDMP)আৰু প্ৰায় ২৫ টা কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠান( TDU) নিৰ্মাণ কৰা আদি কাৰ্যসমূহ তৃতীয় উপাদানৰ অন্তৰ্ভুক্ত হ'ব।

## পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা ভিত্তিৰেখাৰ উদ্দেশ্যসমূহঃ

চিনাক্ত কৰা বেঁকী আৰু বুঢ়ীদিহিং উপ-প্ৰকল্প ৰ সামাজিক আৰু পৰিৱেশ প্ৰভাৱৰ মূল্যায়নৰ প্ৰতিবেদন প্ৰস্তুত আৰু প্ৰকাশ কৰা হৈছে। এই পৰিৱেশ আৰু সামাজিক ব্যৱস্থাপনা ভিত্তিৰেখা ভৱিষ্যতৰ উপ-প্ৰকল্প সমূহ কাৰ্যকৰী কৰাৰ সময়ত নিৰীক্ষণৰ সহায়ক হোৱাৰ উপৰিও সামাজিক আৰু পৰিৱেশিক মূল্যাংকণ আৰু উপ-প্ৰকল্প বিশেষ সঁজুলি /পদ্ধতি প্ৰস্তুত কৰাৰ সহায়ক হ'ব । এই প্ৰতিবেদন(ESMF Report) কেৱল ওপৰৰ ESIA-ESMPৰ অন্তৰ্ভুক্ত নোহোৱা প্ৰথম পৰ্যায়ৰ উপ-প্ৰকল্পৰ(অথবা , কাৰ্যকৰী কৰাৰ সময়ত চিনাক্ত কৰা উপ-প্ৰকল্পসমূহ )ক্ষেত্ৰতহে প্ৰযোজ্য। ভৱিষ্যতৰ উপ-প্ৰকল্পসমূহত এই প্ৰতিবেদনে (ESMF Report)সামৰি ল'বলগীয়া বিষয় সমূহ এনে ধৰণৰ-

(১) প্ৰাতিষ্ঠানিক শিক্ষা সুদৃঢ়কৰণ আৰু প্ৰয়োজন বিশেষে অধ্যয়ন
(২) জল সম্পদ ব্যৱস্থাপনা আৰু
(৩)দূৰ্যোগৰ বিপদ মুক্তকৰণ ব্যৱস্থাপনা

## নীতিগত, আইনী আৰু নিয়ন্ত্ৰণমূলক ভিত্তিৰেখাঃ

অসমৰ নদী অৱবাহিকা সু-সংহতকৰণৰ ব্যৱস্থাপনা কাৰ্যক্ৰম ( AIRBMP) ৰূপায়ণত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নিয়ন্ত্ৰক ভিত্তিৰেখাৰ লগত বিশ্ব বেংকৰ পৰিৱেশ আৰু সামাজিক ভিত্তিৰেখাৰ সামঞ্জস্য থাকিব লাগিব। সৰ্বসাধাৰণ ভাবে এইবোৰ উপ-প্ৰকল্পৰ পৰা গৰা -খহনীয়া নিয়ন্ত্ৰণ আৰু জীৱন ধাৰণৰ মান উন্নত কৰাৰ দৰে ধনাত্মক পৰিৱেশ আৰু সামাজিক প্ৰভাৱ পেলোৱা পৰিলক্ষিত হ'ব। প্ৰতিকূল পৰিৱেশিক আৰু সামাজিক প্ৰভাৱসমূহ গৌণ, অস্থায়ী, স্থানীয়, সলাব আৰু প্ৰশমিত কৰিব পৰা হ'ব। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ প্ৰযোজ্য কিছুমান গুৰুত্বপূৰ্ণ আইনগত বিধি-বিধান যেনে – পৰিৱেশ সুৰক্ষা আইন আৰু অধিনিয়ম- ১৯৮৬ , বন সংৰক্ষণ আইন- ১৯৮০ , অসম জীৱ বৈচিত্ৰ্য অধিনিয়ম- ২০১০ , বন্যপ্ৰাণী সুৰক্ষা (অসম সংশোধন )-২০০৯, দুৰ্যোগ প্ৰশমন আইন -২০০৫, [যিহেতু অসম ভূমিকম্প প্ৰৱনতাৰ পঞ্চম অঞ্চলত(ZONE 5)পৰে আৰু সঘনাই বানপানী হয় ], ভূমি অধিগ্ৰহণ, পুনৰ্বাসন আৰু পুনঃ সংস্থাপনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ক্ষতিপূৰণ আৰু স্বচ্চতা প্ৰদান আইন- ২০১৩ , তথ্য জনাৰ অধিকাৰ আইন- ২০০৫, পঞ্চায়ত (অনুসূচিত এলেকালৈ সম্প্ৰসাৰিত) আইন- ১৯৯৬, কৰ্মক্ষেত্ৰত মহিলাক যৌন আতিশয্য (প্ৰতিৰোধ, নিষেধাজ্ঞা আৰু প্ৰতিকাৰ] আইন- ২০১৩ (POSH Act) ইত্যাদি । এই উপ-প্ৰকল্পৰ ক্ষেত্ৰত বন্যপ্ৰাণী নিয়ন্ত্ৰণ, নিৰ্মাণৰ বাবে ক্ষুদ্ৰ খনিজ সম্পদ খনন, শ্ৰমিক নিৱাস নিৰ্মাণ, যান-বাহনৰ প্ৰদূষণ নিয়ন্ত্ৰণ প্ৰমাণ পত্ৰ আদি অনুমতি প্ৰয়োজন সাপেক্ষে উপযুক্ত কতৃৰ্পক্ষৰ পৰা আহৰণ কৰিব লাগিব।

## বিশ্ব বেংকৰ পৰিৱেশিক আৰু সামাজিক ভিত্তিৰেখাঃ

বিশ্ব বেংকৰ ঋণ লওঁতা সকলৰ বাবে বেংকৰ পুঁজি বিনিয়োগ প্ৰকল্পৰ দ্বাৰা প্ৰভা ৱিত পৰিৱেশিক আৰু সামাজিক বিপদৰ আশংকা চিনাক্তকৰণ আৰু ইয়াৰ প্ৰভাৱৰ মূল্যাংকণ কৰাৰ বাবে বিশ্ব বেংকে পৰিৱেশিক আৰু সামাজিক মানদণ্ড নিৰ্ধাৰিত কৰিছে। এই মানদণ্ড সমূহ অসম ৰ নদী অৱবাহিকা সু-সংহতকৰণৰ ব্যৱস্থাপনা কাৰ্যক্ৰম(AIRBMP)ৰ ক্ষেত্ৰতো প্ৰযোজ্য। ই পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-১(ESS-1)ৰ অন্তৰ্নিহিত আৰু এই বেষ্টনি নিৰ্ধাৰিত নিয়ম মতে প্ৰস্তুত কৰা হৈছে। প্ৰকল্পটোত বিভিন্ন ধৰণৰ কৰ্মী বিভিন্ন স্তৰত জৰিত থকা হেতুকে পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-২(ESS-2)ও প্ৰযোজ্য। ইয়াৰ উপৰিও সম্পদসমূহ সঠিক ব্যৱহাৰ কৰা আৰু প্ৰকল্পৰ অন্তৰ্গত কামৰ বাবে হোৱা প্ৰদূষণ প্ৰতিৰোধ কাৰ্য্যত সুৰক্ষাবেষ্টনি-৩(ESS-3)প্ৰযোজ্য। যিহেতু উপ-প্ৰকল্পবোৰৰ ওচৰত/চাৰিওকাষে বাস কৰা সমাজ আছে,

সেয়েহে, প্ৰয়োজন হ'ব পৰা সঠিক ব্যৱস্থাৰ বাবে সুৰক্ষাবেষ্টনি-৪(ESS-4)ও প্ৰয়োজন। সেইদৰে প্ৰস্তাৱিত কিছু উপ-প্ৰকল্পৰ ৰূপায়ণৰ বাবে ব্যক্তিগত ভূমি অধিগ্ৰহণ কৰাৰ হেতু লগত সুৰক্ষাবেষ্টনি-৫(ESS-5)প্ৰযোজ্য। উপ-প্ৰকল্প সমূহ বনাঞ্চল আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাষত হোৱাৰ বাবে সুৰক্ষাবেষ্টনি-৬ (ESS-6), জনজাতিৰলোক আৰু জনজাতিৰ স্বায়ত্ব শাসিত পৰিষদ থকাৰ বাবে সুৰক্ষাবেষ্টনি –৭(ESS-7),উপ-প্ৰকল্পবোৰ ৰাজ্যৰ বিশাল ভৌগোলিক ক্ষেত্ৰথনত অৱস্থিত আৰু বিশ্ব সাংস্কৃতিক ঐতিহ্য সম্পৰ্কীয় সমস্যা উদ্ভৱৰ আশংকা থকাৰ বাবে সুৰক্ষাবেষ্টনি-৮(ESS-8),প্ৰযোজ্য। সমগ্ৰ প্ৰকল্পটো যুগুত কৰা আৰু কাৰ্যকৰী কৰা সময়ত অং শীদাৰসকলৰ লগত আলোচনা আৰু প্ৰকল্প সম্বন্ধীয়সকলো ধৰণৰ তথ্য জনোৱাৰ কাৰণে পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-১০(ESS-10)প্ৰযোজ্য। বিশ্ব বেংক গোটৰ সাধাৰণ পৰিৱেশ, স্বাস্থ্য আৰু সুৰক্ষা( EHS)নিৰ্দেশনা বিধি ২০০৭,বিশেষকৈ শাখা-৪ ৰ অন্তৰ্গত প্ৰকল্পৰ নিৰ্মাণ আৰু প্ৰত্যাহাৰৰ নিয়ম এই প্ৰকল্পটোৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। যদি এই নিৰ্দেশাৱলীত থকা মান আৰু পৰিমাপ ৰাষ্ট্ৰীয় মানদণ্ড ৰক্ষাৰ প্ৰয়োজনীয়তাৰ সৈতে ভিন্ন হয় তেতিয়া অসমৰ বানপানী আৰু নদী গৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণে(FREMAA)যিটো বেছি কঠোৰ তাৰ প্ৰয়োগ নিশ্চিত কৰিব।

## পৰিৱেশিক আৰু সামাজিক সাম্ভাব্য বিপদৰ আশংকা আৰু সুৰক্ষাবেষ্টনিৰ প্ৰভাৱ

প্ৰকল্পভিত্তিক পৰিৱেশিক আৰু সামাজিক বিপদৰ আশংকা আৰু সুৰক্ষাবেষ্টনি-২ ৰ ভিতৰত পৰা প্ৰভাৱবোৰ এনেধৰণৰ–

(ক)শ্ৰমিকসকলৰ পেছাগত স্বাস্থ্য আৰু সুৰক্ষাৰ বিপদ, যেনে– সোঁচৰা বেমাৰ, অযোগ্য অস্থায়ী আবাস নিৰ্মাণ, ইত্যাদি আৰু

(খ) শ্ৰমিকৰ অবাধ সৰবৰাহৰ বাবে শিশু আৰু বলপূৰ্বক হোৱা শ্ৰমিক নিয়োগ , লিংগ ভিত্তিক হিংসা , আৰু দক্ষতাহীন মহিলা শ্ৰমিকৰ ক্ষেত্ৰত অসমান মজুৰীৰ ইত্যাদি বিপদ ৰ আশংকা। পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-৩ৰ প্ৰভাৱৰ অন্তৰ্গত বিষয়সমূহ হ'ল- মাটি আৰু টুকুৰা শিলৰ উৎসৰ ব্যৱহাৰ, বৰ্জ্য পদাৰ্থ(গোটা আৰু বিপদজনক)ৰ সৃষ্টি, ভূ-গৰ্ভৰ জলৰ ব্যৱহাৰ আৰু প্ৰদূষণ , ভূ-পৃষ্ঠৰ পানীৰ প্ৰদূষণ, বায়ু প্ৰদূষণ, ভূমি পৃষ্ঠৰ উৰ্বৰতা হ্ৰাস , অযোগ্য বৈদুত্যিক সামগ্ৰী ব্যৱহাৰ আদিৰ দ্বাৰা হোৱা বিপদ আৰু প্ৰভা ৱ।পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-৪ৰ অন্তৰ্গত বিপদ আৰু প্ৰভাৱসমূহ এনেধৰণৰ–

(ক)স্থানীয় সমাজৰ স্বাস্থ্যৰ ওপৰত পৰা প্ৰভাৱ , যান-বাহনৰ প্ৰদূষণ, বিদ্যালয় সমূহ বানপানী আশ্ৰয় শিবিৰলৈ ৰূপান্তৰৰ সময়ত এচবেষ্টছ থকা সামগ্ৰী(ACM)ৰ উপস্থিতি, দুৰ্ঘটনাৰ আশংকা, নিৰ্মাণৰ সময়ত উৎপন্ন হোৱা আৱৰ্জনা আৰু ভগ্নাৱশেষৰ পেলনীয়া আৱৰ্জনা বাসস্থানৰ পৰিসীমাত পেলোৱা, জীৱাশ্ম ইন্ধন বা তেনে বিষাক্ত দ্ৰব্যৰ ভাণ্ডাৰ আৰু(খ)নিৰ্মাণৰ সময়ৰ বিপদ আৰু খেলিমেলিৰ স'তে সমাজৰ মুখামুখী হ'বলগীয়া পৰিস্থিতি, ব্যৱহাৰিক ব্যৱস্থাপনা বিঘ্নিত হোৱা, আহ-যাহৰ বাটত বিঘিনি জন্মোৱা, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সুৰক্ষা বিঘিনি আৰু স্কুল সম্প্ৰসাৰনৰ সময়ত সুৰক্ষা আৰু লিঙ্গভিত্তিকউৎপীড়ণ (GBV) ইত্যাদি বিপদৰ সম্ভাৱনা। প্ৰকল্পৰ কাৰণে ভূমি হেৰুওৱা (চৰকাৰী আৰু ব্যক্তিগত ভূমি), আৰু বেদখলকাৰী আৰু বেআইনী ভাবে সংস্থাপন হোৱা সকলৰ জীবিকা অৰ্জনৰ প্ৰণালী বিঘ্নিত হোৱা, পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-৫(ESS – 5)ৰ অন্তৰ্গত।সুৰক্ষাবেষ্টনি-৬(ESS – 6)ৰ অন্তৰ্গত বিপদৰ আশংকাবোৰ আৰু প্ৰভাৱসমূহ এনেধৰণৰ – (ক) নদীৰ গৰা আৰু জলজ প্ৰাণী ওপৰত পৰা প্ৰভাৱ, গছ-গছনি কটা, সংৰক্ষিত বনাঞ্চলৰ ওপৰত প্ৰভাৱ, মুখ্য জৈৱ-বৈচিত্ৰ অঞ্চল আৰু প্ৰাকৃতিক সম্পদ হেৰোৱা, বিচৰণ ক্ষেত্ৰৰ পৰা মৎস্য নিষ্কাষণ ইত্যাদি।

(খ) প্ৰাকৃতিক সম্পদ আদিৰ বাবে শ্ৰমিক আৰু স্থানীয় সম্প্ৰদায়সমূহৰ মাজত অৰিয়া-অৰি ইত্যাদি। জনজাতীয় লোকসকলে ভূমি আৰু জীবিকাৰ পথ হেৰুওৱাৰ দৰে প্ৰভাৱ পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-৭(ESS-7)ৰ অন্তৰ্গত।ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰতিস্থান সমূহৰ ওপৰত পৰা প্ৰভাৱ, সামুহিক সম্পদসমূহ স্থানান্তৰ কৰণ, নিৰ্মাণৰ সময়ত পোৱা সুযোগ আদি পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-

৮(ESS-৪)ৰ অন্তৰ্গত। অ-পৰিপূৰ্ণ আলোচনা আৰু সমাধান নোহোৱা অভিযোগৰ বিপদৰ আশংকা আৰু প্ৰভাৱ পৰিৱেশিক আৰু সামাজিক সুৰক্ষাবেষ্টনি-১০(ESS-10)ৰ অন্তৰ্গত।

## পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনাৰ পদ্ধতিগত ভিত্তিৰেখাঃ

চিহ্নিত কৰা কাৰ্যক্ৰমৰ বাবে পৰিৱেশ আৰু সামাজিক পদ্ধ্‌তি আৰু কাৰ্যক্ৰম আৰু পৰিৱেশ আৰু সামাজিক প্ৰভাৱৰ মূল্যাংকন( ESIA) আৰু ইয়াৰ কাৰ্য্যকৰণ কৰাৰ সময়ত প্ৰতিটো উপপ্ৰকল্প্ৰ বাবে চিহ্নিত কৰা পৰিৱেশ আৰু সামাজিক পদ্ধ্‌তি আৰু কাৰ্যক্ৰম ক্ৰমানুসাৰে এনে ধৰণে অনুকৰণ কৰিবলগীয়া -

(ক) পৰিৱেশিক আৰু সামাজিক অৱস্থা পৰীক্ষণ

(খ) প্ৰকল্পৰ আৰ্হি আৰু বিকল্পৰ বিশ্লেষণত পৰিৱেশিক আৰু সামাজিক বিবেচনা

(গ) মধ্যমীয়া আৰু নিম্ন পৰিমাণৰ বিপদ জৰিত উপ-প্ৰকল্পসমূহৰ ক্ষেত্ৰত প্ৰচলিত মানদণ্ডৰ পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা

(ঘ) অত্যধিক বিপদশংকুল উপ-প্ৰকল্পসমূহৰ পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা অধ্যয়নৰ বাবে ভিত্তি তথ্য সংগ্ৰহ, প্ৰভাৱৰ মূল্যাংকন আৰু পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা

(ঙ) আলোচনা আৰু প্ৰকাশ

(চ) পৰিৱেশিক আৰু সামাজিক প্ৰভাৱৰ মূল্যাংকন (ESIA) /পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা (ESMP), পুনঃসংস্থাপনৰ কাৰ্য পৰিকল্পনা(RAP) আৰু জনজাতি উন্নীতকৰণ যোজনা (TDP)ৰ প্ৰস্তুতি

(ছ) নিবিদাৰ বাবে পৰিৱেশিক আৰু সামাজিক অৱস্থা আৰু

(জ) পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা (ESMP), পুনঃসংস্থাপনৰ কাৰ্য পৰিকল্পনা(RAP) আৰু জনজাতি উন্নীতকৰণ যোজনা (TDP)ৰূপায়ন।

প্ৰকল্প ব্যৱস্থাপনাৰ গোট ( PMU), প্ৰকল্প ব্যৱস্থাপনাৰ কাৰিকৰী পৰামৰ্শদাতা ( PMTC), সংশ্লিষ্ট প্ৰকল্প ৰূপায়ন গোট সমূহ(PIU), ৰূপৰেখাৰ ব্যৱস্থাপনাৰ আৰু তত্বাৱধায়ক পৰামৰ্শদাতা (DMSC) আৰু প্ৰকল্প ব্যৱস্থাপনাৰৰ গোট (PMU) আৰু প্ৰকল্প ৰূপায়ন গোট ( PIU) ৰ পৰিৱেশিক আৰু সামাজিক কৰ্মচাৰী এইবোৰৰ বাবে দায়বদ্ধ হ'ব। পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি ( ESMP) কাৰ্যকৰী কৰাৰ সামগ্ৰিক দায়িত্ব প্ৰকল্প ব্যৱস্থাপনা গোট ( PMU)/প্ৰকল্প ৰূপায়ন গোট ( PIU)ৰ। অৱশ্যে, নিৰ্মাণস্থলীত পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি(ESMP) কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ঠিকাদাৰৰ পৰিৱেশিক , সামাজিক স্বাস্থ্য আৰু সুৰক্ষা ( ESHS)ৰ লগত জড়িত কৰ্মচাৰীসকল দায়বদ্ধ। তেনেকৈ, প্ৰকল্প ৰূপায়ন গোট (PIU) আৰু প্ৰকল্প ব্যৱস্থাপনাৰ গোট (PMU) ৰ পৰিৱেশিক আৰু সামাজিক বিশেষজ্ঞসকল প্ৰকল্প কাৰ্যকৰণৰ পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি( ESMP)সূচাৰুৰূপে কাৰ্যকৰণত পৰ্যবেক্ষণৰ দায়িত্ব থাকিব। পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা( ESMP)সংশ্লিষ্ট নিৰ্মাণ কাৰ্য্যৰ নিবিদা আহৰণৰ পূৰ্বে প্ৰস্তুত কৰা হ'ব। পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা (ESMP)ত চিহ্নিত কৰা আৰু ঠিকাদাৰসকলক দিয়া নিবিদাত সংলিষ্ট প্ৰতিকাৰ সমূহ সঠিক ৰূপত কাৰ্যকৰী কৰিছে নে নাই সেয়া নিৰ্মাণস্থলীতে পৰিদৰ্শন আৰু পৰ্য্যবেক্ষন কৰা হ'ব। কামকৰা ঠাইত প্ৰয়োজনীয় অনুপালন নিৰীক্ষন এনে ধৰণৰ –নিৰ্মাণৰ চলা ঠাইত গৈ এইটো নিৰীক্ষ কৰা যে পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা (ESMP)ত চিনাক্ত কৰা ধৰণে আৰু ঠিকাদাৰক কামৰ সময়ত চৰ্তাৱলীত দিয়া অনুসৰি ব্য়ৱস্থা লোৱা হৈছে নে নাই। ঠিকাদাৰে কৰা সকলো পৰিৱেশিক প্ৰদূষণ(Polution events) , পেছাগত স্বাস্থ্য সুৰক্ষা (OHS)[দূৰ্ঘটনা] আৰু সামাজিক (কৰ্মস্থলত যৌন-নিৰ্যাতন) ঘটনা সামৰি ঠিকাদাৰে মাহিলী পৰিৱেশিক আৰু সামাজিক নিৰীক্ষন প্ৰতিবেদন দাখিল কৰিব লাগে আৰু প্ৰকল্প ব্যৱস্থাপনা গোটে(PMU) পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা ( ESMP)ৰ তিনিমহীয়া নিৰীক্ষন প্ৰতিবেদন বিশ্ব বেংকলৈ প্ৰেৰণ কৰিব।

## আনুস্থানিক আলোচনা

পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা ভিত্তিৰেখা( ESMF)প্ৰস্তুত কৰোঁতে ইং ২০২২ চনৰ জানুৱাৰী ফেব্ৰুৱাৰী মাহৰ মাজৰ সময়চোঁৱাত হিতাধিকাৰী , মহিলা আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে আনুস্থানিক আলোচনা কৰা হয়। বেঁকী উপ-অৱবাহিকাত ২০ খন আৰু বুঢ়ীদিহিং উপ-অৱবাহিকাত ৪৫ খন,মুঠ ৬৫ খন আলোচনা সভাত ৮৪৯ জন পুৰুষ আৰু ৩৪৩ গৰাকী মহিলা সমন্বিতে মুঠ ১১৯২ গৰাকী লোকক জৰিত কৰা হৈছিল । ৰাজহ আৰু দুযোৰ্গ ব্যৱস্থাপনা, বন আৰু পৰিৱেশ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি চৰকাৰী বিভাগসমূহৰ লগত সমূহীয়া আলোচনা সম্পন্ন কৰা হয় । প্ৰকল্প ক্ষতিগ্ৰস্ত লোক আৰু প্ৰকল্পৰ হিতাধিকাৰীসকল তলৰ বিষয়বোৰ লৈ চিন্তিত –

(১)তেওঁলোকৰ এলেকা দ্ৰুতগতিত হোৱা খহনীয়াত জাহ যোৱাৰ পৰা ৰক্ষাৰ বাবে গৰা-খহনীয়া প্ৰতিৰোধ ব্যৱস্থা তাৎক্ষণিক ভাবে ৰূপায়িত কৰিবলৈ অনুৰোধ কৰা৷

(২) নিৰ্মাণ কাৰ্যৰ বাবে বাসস্থান আৰু নদীলৈ যোৱা পথ বিঘ্নিত হোৱা

(৩) ব্যক্তিগত ভূমিৰ বাবে সঠিক ক্ষতিপূৰণ

(৪) বেদখলকাৰীৰ উচ্ছেদৰ ভয়

(৫) নিৰ্মাণকাৰ্যৰ বাবে মাছৰ পৰিমাণ হ্ৰাস/নিঃশেষ হোৱা ইত্যাদি৷

উদ্বেগজনিত বিষয়বোৰ হ'ল –

(১) শ্ৰমিকৰ আন্তঃপ্ৰবাহ আৰু প্ৰাকৃতিক আৰু সামূহিক সম্পদ সমুহ আহৰনৰ প্ৰতিযোগিতা

(২) সামুহিক সা-সম্পদৰ ওপৰত প্ৰভাৱ

(৩) প্ৰকল্প বিষয়ক তথ্যৰ প্ৰচাৰ

(৪) বানপানী আশ্ৰয় শিৱিৰৰ বৰ্জিত আৱৰ্জনা ব্যৱস্থাপনা ইত্যাদি,

দুৰ্বল আৰু বিপদাকুল দলসমুহৰ বাবে উদ্বেগজনিত বিষয়সমুহ হ'ল–

(১) সবাৰো বাবে সুবিধাবোৰ উপলব্ধ হোৱা

(২) পুৰুষ, মহিলা আৰু কেচুৱাক স্তন্যপান কৰোৱা মহিলাৰ বাবে পৃথক কোঠাৰ ব্যৱস্থা

(৩)অবিৰত ভাৱে হৈ থকা নদীৰ গৰা-খহনীয়া আদি ।

বানপানী আৰু গৰা-খহনীয়াত ভোগা ৰাইজৰ সহায়ক হ'ব বাবে সম্প্ৰদায়সমূহে প্ৰকল্পটোলৈ অবাধ সমৰ্থন আগবঢ়াইছে৷ আলোচনা মৰ্মে পোৱা প্ৰতিক্ৰিয়াৰ ওপৰত ভিত্তি কৰি তলত উল্লেখিত বিষয় সমুহত সন্মতি জনোৱা হৈছে–

(১)বিশেষ পৰামৰ্শ সভাৰ মত অনুসাৰে প্ৰস্তাৱিত নিৰ্মাণস্থলীৰ ওচৰত বিশেষ পৰামৰ্শ সভা অনুষ্ঠিত কৰা হ'ব আৰু

(২) সমস্যাসমূহ লাঘৱ কৰা প্ৰস্তাৱিত পৰিকল্পনাও জনসাধাৰণৰ ওচৰত ব্যাখ্যা কৰা আৰু

(৩) অসমৰ বানপানী আৰু নদী গৰা -খহনীয়া ব্যৱস্থাপনা অভিকৰণ ( FREMAA)/, জল সম্পদ বিভাগ ( WRD)/ অসম ৰাজ্যিক দূৰ্যোগ প্ৰশমণ প্ৰাধিকাৰীয়ে( ASDMA) সংশ্লিষ্ট বিভাগসমূহৰ লগত আলোচনা সভা অনুষ্ঠিত কৰিব।

## ৰূপায়ণ ব্যৱস্থাঃ

অসমৰ নদী অৱবাহিকা সু -সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰম( AIRBMP)সমন্বয় আৰু ৰূপায়ণ কৰাৰ সামগ্ৰিক দায়িত্ব অসমৰ বানপানী আৰু নদী গৰা -খহনীয়া ব্যৱস্থাপনা অভিকৰণ( FREMAA)ৰ অন্তৰ্গত প্ৰকল্প ব্যৱস্থাপনা গোট(PMU)ৰ ওপৰত ন্যস্ত থাকিব। জল সম্পদ বিভাগ(WRD)ৰ অধীনত এটা প্ৰকল্প ৰূপায়ণ গোটে( PIU) উপাদান-২ কাৰ্যকৰী কৰিব আৰু অসম ৰাজ্যিক দূৰ্যোগ প্ৰশমণ প্ৰাধিকাৰীৰ (ASDMA)অধীনত এটা প্ৰকল্প ৰূপায়ণ গোটে ( PIU) উপাদান-৩ ৰূপায়ন কৰিব। জল সম্পদ বিভাগ (WRD) আৰু অসম ৰাজ্যিক দূৰ্যোগ প্ৰশমণ প্ৰাধিকাৰীৰ ( ASDMA) অধীনৰ প্ৰকল্প ৰূপায়ণ গোটবোৰে

(PIU) ঠিকাদাৰৰ জৰিয়তে নিৰ্মাণ সম্পৰ্কীয় কামসমূহ সম্পন্ন কৰিব। প্ৰকল্পটোৰ অন্তৰ্নিহিত কাৰ্য্যসমূহ ৰূপায়ণ কৰাৰ কাৰণে অসমৰ বানপানী আৰু নদী গৰা -খহনীয়া ব্যৱস্থাপনা অভিকৰণ( FREMAA i.e. PMU)এ এটি প্ৰকল্প ব্যৱস্থাপনাৰ কাৰিকৰী পৰামৰ্শদাতা( PMTC)গোট ইতিমধ্যে নিয়োগ কৰিছে। অসম ৰাজ্যিক দূৰ্যোগ প্ৰশমণ প্ৰাধিকাৰীয়ে (ASDMA)উপাদান-৩ ত বিনিয়োগৰ আৰ্হি আৰু তত্বাৱধান কৰিবলৈ আৰ্হি ব্যৱস্থাপনা আৰু তত্বাৱধায়ক পৰামৰ্শ গোট (DMSC)নিয়োগ কৰিব। পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা ভিত্তিৰেখাৰ ( ESMF) কাৰ্যকৰী ব্যৱস্থা স্বাধীন ভাৱে মূল্যাংকন কৰিবলৈ প্ৰকল্প ব্যৱস্থাপনা গোটে(PMU) পৰিৱেশিক আৰু সামাজিক পৰ্যৱেক্ষন আৰু মূল্যাংকন ( ESME) পৰামৰ্শ গোট নিয়োগ কৰিব। অসমৰ বানপানী আৰু নদী গৰা-খহনীয়া ব্যৱস্থাপনা অভিকৰণ(FREMAA) আৰু অসম ৰাজ্যিক দূৰ্যোগ প্ৰশমণ প্ৰাধিকাৰীৰ( ASDMA) পৰিৱেশিক আৰু সামাজিক বিশেষজ্ঞ আৰু ক্ষেত্ৰ তত্বাৱধায়কৰে গঠিত স্থায়ী নিৰাপত্তা বেষ্টনি গোট আছে। জল সম্পদ বিভাগ( WRD)ৰ প্ৰকল্প ৰূপায়ণ গোটৰো( PIU) পৰিৱেশিক আৰু সামাজিক বিশেষজ্ঞ নিয়োগ কৰাৰ প্ৰক্ৰিয়া চলি আছে। প্ৰকল্প ব্যৱস্থাপনাৰ কাৰিকৰী পৰামৰ্শদাতাৰ(PMTC) এজনকৈ পৰিৱেশিক বিশেষজ্ঞ আৰু সামাজিক উন্নয়ন বিশেষজ্ঞ আছে। প্ৰকল্প ব্যৱস্থাপনা গোটে( PMU) স্বাধীন ভাৱে মূল্যায়ন কৰিবলৈ পৰিৱেশিক আৰু সামাজিক বিশেষজ্ঞ নিয়োগ কৰিব। সামাজিক স্বচ্ছলতা অনাত সহায় কৰিবলৈ , পুনৰ্বাসন কাৰ্য্য যোজনা কাৰ্যকৰী কৰিবলৈ আৰু জীৱিকাৰ সামৰ্থতা গঢ়ি তুলিবৰ কাৰণে বে-চৰকাৰী সংস্থা নিয়োগ কৰা হ'ব।

## পৰ্যবেক্ষনঃ

প্ৰকল্প ব্যৱস্থাপনা গোট ( PMU) আৰু প্ৰকল্প ৰূপায়ন গোট ( PIU)ৰ নিয়মীয়া পৰ্যবেক্ষনৰ অংশ হিচাবে একেলগে আন্তঃমূল্যায়ন আৰু সামাজিক পৰ্যবেক্ষন কৰিব। প্ৰকল্প ৰূপায়ন গোট(PIU)স্তৰত পৰিৱেশিক আৰু সামাজিক বিশেষজ্ঞই পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা ভিত্তিৰেখা( ESMF)আৰু পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা যোজনা ( ESMP)ৰ কাৰ্যকাৰীতা আৰু মূল্যাংকনৰ বিধিৰ ক্ষেত্ৰত তদাৰক কৰিব। প্ৰকল্প ৰূপায়ন গোট ( PIU)ৰ পৰিৱেশিক আৰু , সামাজিক বিশেষজ্ঞই উপ-প্ৰকল্পসমূহ এটা নিয়মীয়া ব্যৱধানত( অতি কমেও একপষেক)পৰিদৰ্শন কৰি পৰিৱেশিক আৰু সামাজিক নিৰাপত্তা বেষ্টনিৰ প্ৰয়োজনীয়তাখিনি পৰিপূৰ্ণতাৰে পালন হৈছে নে নাই তদাৰক কৰিব যাতে কিবা সমস্যাৰ উদ্ভৱ হ'লে প্ৰয়োজন অনুসৰি তাৰ ব্যৱস্থা ল'ব পাৰে। প্ৰকল্প ব্যৱস্থাপনা গোট (PMU) ৰ পৰিৱেশিক আৰু সামাজিক গোটৰ কৰ্মচাৰীয়ে প্ৰতি পষেকত উপ-প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰিব। পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনাৰ বিষয়ে প্ৰকল্প ব্যৱস্থাপনা গোটে ( PMU) প্ৰতি পষেকত অগ্ৰগতিৰ প্ৰতিবেদন বিশ্ব বেংকৰ ওচৰত দাখিল কৰিব লাগিব। প্ৰকল্প ব্যৱস্থাপনা গোটে ( PMU)পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনাৰ বছৰেকীয়া পৰিস্থিতিগত প্ৰতিবেদন প্ৰস্তুত কৰিব।

## অভিযোগ দাখিল ব্যৱস্থাঃ

প্ৰকল্পৰ অংশীদাৰ সকলৰ বাবে যৌন শোষণ আৰু অত্যাচাৰ/ যৌন আতিশৰ্য্য আদিকে ধৰি প্ৰকল্প সমন্ধীয় অভিযোগ নিষ্পত্তি কৰিবলৈ অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী( GRM)গঠন কৰা হ'ব।এই অভিযোগ নিষ্পত্তিকৰণ প্ৰণালীয়ে(GRM)প্ৰকল্পৰ অংশীদাৰ সকলৰ বাবে বৈধ, বিশ্বাসযোগ্য, স্বচ্ছ আৰু দক্ষ প্ৰক্ৰিয়াৰ যোগেদি অভিযোগবোৰ নিষ্পত্তি কৰাটো নিশ্চিত কৰিব। এই অভিযোগ নিষ্পত্তিকৰণ প্ৰণালীয়ে( GRM) প্ৰচলিত আইনী আৰু সাংস্কৃতিক ভিত্তিৰেখাৰ ভিতৰত কাম কৰিব।

প্ৰকল্পৰ পৰা উদ্ভৱ হোৱা অভিযোগসমূহ দুটা পৃথক প্ৰতিকাৰ ব্যৱস্থাৰ দ্বাৰা মোকাবিলা কৰা হ'ব–

(১) জল সম্পদ বিভাগ (WRD) ৰ অধীনৰ উপাদান-২

(২) অসম ৰাজ্যিক দূৰ্যোগ প্ৰশমণ প্ৰাধিকাৰী(ASDMA)ৰ অধীনৰ উপাদান-৩।

অসমৰ বানপানী আৰু নদী গৰা -খহনীয়া ব্যৱস্থাপনা অভিকৰণ( FREMAA)ৰ প্ৰকল্প ব্যৱস্থাপনা গোট (PMU)ত আপীল কৰিব পৰা সংশ্লিষ্ট কৰ্তৃপক্ষ হিচাবে প্ৰকল্পৰ অন্তৰ্গত এখন অভিযোগ প্ৰতিকাৰ কমিটি

(GRC) থাকিব। উপাদান-২ ৰ কাৰ্য সমূহৰ বাবে অভিযোগ নিষ্পত্তিকৰণৰ প্ৰণালী(GRM)দুটা স্তৰত হ'ব। যেনে–

(১) প্ৰকল্পভিত্তিক স্তৰ আৰু

(২) জিলাভিত্তিক স্তৰ, যিটো জল সম্পদ বিভাগ(WRD)ৰ দ্বাৰা পৰিচালিত হ'ব।

জল সম্পদ বিভাগ( WRD)ৰ প্ৰকল্প ৰূপায়ন গোটে( PIU) প্ৰকল্পভিত্তিক স্তৰৰ অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী(GRM)ৰ তত্বাৱধান কৰিব।

সেইদৰে উপাদান-৩ ৰ কাৰ্য সমূহৰ বাবে অভিযোগ নিষ্পত্তিকৰণ প্ৰণালীও(GRM)দুটা স্তৰত হ'ব। যেনে,

(১) প্ৰকল্পভিত্তিক স্তৰ আৰু

(২) প্ৰকল্প ৰূপায়ন গোট(PIU)স্তৰ।

নিদ্ধাৰ্িত পদ্ধতিমতে এমাহৰ ভিতৰত লিখিত ৰূপত দাখিল কৰিলে অভিযোগসমূহ গ্ৰহণ কৰা, স্বীকৃতি দিয়া আৰু পঞ্জীয়ণ কৰা হ'ব। অভিযোগ প্ৰতিকাৰ কমিটিত ৰাইজৰ পৰাও প্ৰতিনিধি থাকিব। অভিযোগ দাখিল কৰাৰ ছয় সপ্তাহৰ ভিতৰত অভিযোগসমূহ পুনৰীক্ষণ আৰু সমাধান কৰা হ'ব। প্ৰত্যক্ষ ভাবে প্ৰকল্প ক্ষতিগ্ৰস্ত লোক অথবা তৃতীয় পক্ষৰ পৰা বিভিন্ন ধৰণে অহা প্ৰশ্ন বা অভিযোগসমূহ অভিযোগ পঞ্জীয়ণনামা আৰু অনলাইন প'ৰ্টেল যোগে পঞ্জীয়ন কৰা হ'ব ।

## <u>পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা ভিত্তিৰেখা (ESMF)ৰ আয়-ব্যয়ৰ হিচাব আৰু প্ৰকাশ</u>

পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা ভিত্তিৰেখা কাৰ্যকৰী কৰিবৰ বাবে মুঠ ১৩.৬ কোটি টকা ধাৰ্য কৰা হৈছে। তাৰ ভিতৰত সংশ্লিষ্ট উপ-প্ৰকল্পসমূহৰ পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনি আৰু পুনঃসংস্থাপন কাৰ্য যোজনাৰ খৰছো অন্তৰ্ভুক্ত কৰা হৈছে। অসমৰ বানপানী আৰু নদী গৰা -খহনীয়া ব্যৱস্থাপনা অভিকৰণ(FREMAA), অসম ৰাজ্যিক দূৰ্যোগ প্ৰশমণ প্ৰাধিকাৰী (ASDMA)আৰু বিশ্ব বেংকৰ বাহ্যিক ৱেব-ছাইটত পৰিবেশিক সামাজিক ব্যবস্থাপনাৰ ভিত্তিৰেখা(ESMF),পুনঃসংস্থাপন আঁচনিৰ ভিত্তিৰেখা, অংশীদাৰ নিয়োগ যোজনা ( SEP), আৰু পৰিৱেশিক আৰু সামাজিক প্ৰতিশ্ৰুতি যোজনাৰ(ESCP) খছৰাও উপলব্ধ হ'ব।স